**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000
**Date : 31-05-2026** **Time : 1205 Hrs**
***Assamese Midday Bulletin***
**----------------------------**

১। অহা ৫ জুনত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰা হব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সৌজন্যমূলক সাক্ষাৎ।

৩। অসম মীন উন্নয়ন নিগমৰ কেইবাকোটি টকীয়া কেলেংকাৰীৰ অভিযোগত নিগমৰ প্ৰাক্তন প্ৰকল্প সঞ্চালক পদ্মকান্ত হাজৰিকাক গ্ৰেপ্তাৰ। ***আৰু***

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদত হ'বলগীয়া ফাইনেলত গুজৰাট টাইটানছ যোৱাবাৰৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

অহা ৫ জুনত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কিছুসময় পূৰ্বে সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কালি নতুন দিল্লীত সাক্ষাৎ কৰাৰ পাছতে আজি মুখ্যমন্ত্ৰীয়ে এই কথা ঘোষণা কৰে। উল্লেখযোগ্য যে, যোৱা ১২ মে'ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে অতুল বৰা, অজন্তা নেওগ, ৰামেশ্বৰ টেলী আৰু চৰণ বড়োই মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিছিল।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সৌজন্যমূলক সাক্ষাৎ কৰে। ৰাজ্যত নতুন চৰকাৰ গঠনৰ পাছত এয়া আছিল প্ৰধানমন্ত্ৰীৰ সৈতে মুখ্যমন্ত্ৰীৰ প্ৰথমখন আনুষ্ঠানিক বৈঠক। বৈঠকত ড০ শৰ্মাই নিজৰ দ্বিতীয়টো কাৰ্যকাল কিদৰে আগবঢ়াই নিয়াৰ পৰিকল্পনা কৰিছে সেই বিষয়ে প্ৰধানমন্ত্ৰী মোদীক অৱগত কৰে। তেওঁ অসমৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা নিৰৱচ্ছিন্ন সহযোগিতাৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে আৰু অনাগত সময়ত তেওঁৰ মাৰ্গদৰ্শন তথা আশীৰ্বাদ কামনা কৰে। তদুপৰি ড০ শৰ্মাই অসমত এন ডি এ চৰকাৰে তৃতীয়টো কাৰ্যকালত আৰম্ভ কৰা প্ৰাৰম্ভিক কামকাজৰ বিষয়েও শ্ৰী মোদীক অৱগত কৰে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰে আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়ন আৰু যাত্ৰীৰ সুবিধা বৃদ্ধিত গুৰুত্ব আৰোপ কৰি ৰাজ্যৰ ৰে'ল আন্তঃগাঁথনিৰ বিকাশ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰে। সামাজিক মাধ্যমযোগে বৈঠকৰ সবিশেষ প্ৰকাশ কৰি ড০ শৰ্মাই কয়, যে তেওঁলোকে এহেজাৰ ৩০০ কিলোমিটাৰৰো অধিক ৰে'ল পথৰ সম্প্ৰসাৰণ আৰু অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত ৫০ টাৰো অধিক ষ্টেচনৰ পুনৰ নিৰ্মাণকে ধৰি ৰাজ্যত ৰে'ল নেটৱৰ্কৰ ৰূপান্তৰৰ বিষয়লৈ আলোচনা কৰে। ৰে'ল যোগাযোগ ব্যৱস্থা, পৰিবহন আন্তঃগাঁথনিৰ উন্নয়ন আৰু অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ প্ৰচেষ্টাৰ অংশ হিচাপে এই আলোচনা অনুষ্ঠিত হোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ

কৰে। তেওঁ কয়, যে বৰ্তমানৰ প্ৰকল্পসমূহৰ কাম সম্পূৰ্ণ হ'লে যাত্ৰীৰ সুবিধা বৃদ্ধি পাব, সামগ্ৰী পৰিবহন ব্যৱস্থা উন্নত হ'ব আৰু ৰাষ্ট্ৰীয় ৰে'ল নেটৱৰ্কৰ মানচিত্ৰত অসমৰ স্থিতি শক্তিশালী হৈ উঠিব।

০০০০০০

অসম মীন উন্নয়ন নিগমত সংঘটিত কেইবাকোটি টকীয়া কেলেংকাৰীৰ অভিযোগত দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়  নিগমৰ প্ৰাক্তন প্ৰকল্প সঞ্চালক পদ্মকান্ত হাজৰিকাক গ্ৰেপ্তাৰ কৰিছে। পলাতক হৈ থকা প্ৰাক্তন প্ৰকল্প সঞ্চালকজনক কালি ওড়িশাৰ পুৰীত গ্ৰেপ্তাৰ কৰি সঞ্চালকালয়ৰ দলে পুৰীৰ স্থানীয় আদালতত হাজিৰ কৰোৱায়। আদালতে অভিযুক্ত হাজৰিকাক গুৱাহাটীলৈ অনাৰ বাবে সঞ্চালকালয়ৰ দলটোক ৪ দিনৰ ট্ৰেনজিত জিম্মা প্ৰদান কৰে। অসম মীন উন্নয়ন নিগমত সংঘটিত এই কেলেংকাৰী দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ে ইয়াৰ পূৰ্বে ৮ জন বিষয়াক গ্ৰেপ্তাৰ কৰিছে।

০০০০০০

ৰাজ্যত ঘৰুৱা হিংসা ১৬ শতাংশ হ্ৰাস হৈছে। ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষাৰ শেহতীয়া তথ্যৰ উদ্ধৃতিৰে সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে দৰিদ্ৰতা দূৰীকৰণ আৰু মহিলা সৱলীকৰণৰ অৰ্থে আৰম্ভ কৰা অৰুণোদয় আঁচনিয়ে এই ক্ষেত্ৰত বিশেষভাৱে সহায় কৰিছে। ড০ শৰ্মাই কয়, যে কম আয়ৰ পৰিয়ালসমূহক প্ৰত্যক্ষভাৱে মাহিলি আৰ্থিক সাহায্য প্ৰদান কৰাৰ লক্ষ্যৰে ২০১৯ চনত প্ৰৱৰ্তন কৰা এই আঁচনিখনে গ্ৰাম্য এলেকাৰ দৰিদ্ৰ পৰিয়ালসমূহক আৰ্থিকভাৱে সকাহ দিয়াই নহয়, বৰং ৰাজ্যৰ অৰ্থনীতিতো বৃহৎ পৰিৱৰ্তন আনিবলৈ সমৰ্থ হৈছে। তেওঁ কয়, যে ধবজাবাহী আঁচনিখনে এগৰাকী মহিলাক কেৱল আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলাই নহয়, বৰং নিজৰ ঘৰখনত নাৰীসকলৰ সন্মান, মৰ্যাদা আৰু আত্মবিশ্বাস ওভতাই আনিছে। এই আঁচনিৰ জৰিয়তে বৰ্তমানলৈকে ৪০ লাখ হিতাধিকাৰীক প্ৰতিমাহে এহেজাৰ ২৫০ টকাকৈ বেংক একাউণ্টত জমা দিয়া হয়। ৰাজ্য চৰকাৰে ইয়াৰ বাবে বছৰি প্ৰায় ৫ হাজাৰ ৬০৪ কোটি টকা ব্যয় কৰে।

০০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়া আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই কালি শ্বিলঙৰ জে এন ক্ৰীড়া প্ৰকল্প চৌহদত সংহত আয়োজন তথা ক্ৰীড়া প্ৰকল্প মুকলি কৰে। ৩৯ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱৰ বাবে কালি আয়োজক ৰাজ্য বন্দোবস্তি সন্দৰ্ভত এখন বুজাবুজিৰ চুক্তিও সম্পাদিত হয়। মেঘালয়ে আয়োজক ৰাজ্য হিচাপে অগ্ৰণী ভূমিকা পালন কৰাৰ বিপৰীতে উত্তৰ পূৰ্বাঞ্চলৰ ভগ্নী ৰাজ্যসমূহে বিভিন্ন শিতানৰ খেলৰ ক্ষেত্ৰত আয়োজক হিচাপে অংশগ্ৰহণৰ অধিকাৰ লাভ কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে মেঘালয়ৰ অৰ্থনীতি আৰু আন্তঃগাঁথনি ক্ৰমাৎ সুদৃঢ় হৈ উঠিছে আৰু দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত ৰাজ্যখনৰ বৰঙণি বৃদ্ধি পাইছে। মেঘালয়ত এটা উন্নতি কেন্দ্ৰ স্থাপন কৰা হ'ব বুলি শ্ৰীমন্দাভিয়াই ঘোষণা কৰে। অনুষ্ঠানত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমা, মেঘালয়ৰ ক্ৰীড়া মন্ত্ৰী ৰেলাড্‌মিকী চাইলা, ভাৰতীয় অলিম্পিক সংস্থাৰ অধ্যক্ষ ড০ পি টি উষা আৰু উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

গুৱাহাটী মহানগৰক পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰখাৰ বাবে পৌৰ নিগমে এলানি বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। স্বচ্ছ অভিযানক জন আন্দোলনলৈ ৰূপান্তৰিত কৰাৰ বাবে পৌৰ নিগমে পুনৰ স্বচ্ছতা বিষয়ক প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই সন্দৰ্ভত পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই সংবাদমেল সম্বোধন কৰি কয়, যে মহানগৰীৰ উন্নয়ন সমিতি, নাগৰিক সমিতি, মহিলা সমিতিকে ধৰি ক্লাবসমূহৰ মাজত স্বচ্ছতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাৰ বাবে অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে পৰহিলৈৰ পৰা ১৫ জুনলৈকে নাম পঞ্জীয়ন কৰিব পাৰিব। এই প্ৰতিযোগিতাত সৰ্বমুঠ ১৫০ নম্বৰ থাকিব বুলি সদৰি কৰি শ্ৰীশৰণীয়াই কয়, যে প্ৰতিযোগী অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে স্বচ্ছতাৰ ভিন ভিন দিশত নম্বৰ লাভ কৰিব। ইয়াৰ ভিতৰত শুকান আৰু ভিজা জাৱৰ পৃথক কৰাৰ ক্ষেত্ৰত ১০ নম্বৰ, প্লাষ্টিক, জাৱৰমুক্ত নলা-নৰ্দমাৰ ক্ষেত্ৰত ১০ নম্বৰ, মুকলি স্থানত জাৱৰ নাথাকিলে ১০ নম্বৰ, বৃক্ষ ৰোপণত ১০ নম্বৰ আৰু দেৱাল লিখনৰ ক্ষেত্ৰত ১০ নম্বৰকৈ থাকিব। ইয়াৰ লগতে ঘৰ, দোকান, দেৱাল আদিত কপৌফুলৰ সৈতে সামঞ্জস্য ৰাখি পাতল বেঙুনীয়া ৰং ব্যৱহাৰ কৰিলে ৫০ নম্বৰ লাভ কৰিব। গুৱাহাটী মহানগৰক বেঙুনীয়া নগৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি মেয়ৰ মৃগেন শৰণীয়াই জানিবলৈ দিয়ে।

মুঠ ছটা সংমণ্ডলৰ অধীনত হ'বলগীয়া এই প্ৰতিযোগিতাত প্ৰতিটো সংমণ্ডলত তিনিটা পুৰস্কাৰ থাকিব। প্ৰথম পুৰস্কাৰ ৩ লাখ টকা, দ্বিতীয় পুৰস্কাৰ ২ লাখ আৰু তৃতীয় পুৰস্কাৰ হিচাপে ১ লাখ টকা থাকিব। ৫০ হাজাৰ টকাকৈ তিনিটা নিচুকনি পুৰস্কাৰৰ ব্যৱস্থা কৰা হ'ব। আটাইকেইটা সংমণ্ডলৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ প্ৰতিযোগীক ৫ লাখ টকা পুৰস্কাৰ হিচাপে প্ৰদান কৰা হ'ব।

গুৱাহাটী মহানগৰৰ স্বচ্ছতাৰ মান উন্নত কৰাৰ বাবে এহেজাৰ স্বচ্ছ সখী নিয়োগ কৰাৰ লগতে জুন মাহৰ পৰা ঘৰে ঘৰে জাৱৰ সংগ্ৰহৰ বাবদ ৩০ টকাকৈ আদায় লোৱা বুলি শ্ৰীশৰণীয়াই সংবাদমেলত উল্লেখ কৰে।

oooooo

ডিব্ৰুগড় জিলাৰ টিংখাঙৰ ৰাজগড়ত কালি নিশা বিধবংসী অগ্নিকাণ্ডত এটা কপাহৰ গুদামৰ লগতে কেইবাটাও ভাড়াঘৰ ভষ্মিভূত হয়। অগ্নি নিৰ্বাপক বাহিনীৰ দুখন গাড়ীয়ে জুই নিয়ন্ত্ৰণ কৰিবলৈ সমৰ্থ হয়। এই অগ্নিকাণ্ডত কেইবালাখ টকাৰ সামগ্ৰী জাহ যায়।

oooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে দক্ষিণ-পশ্চিম মৌচুমি বতাহৰ প্ৰভাৱত এইবেলি উত্তৰ-পূৰ্বাঞ্চলত প্ৰায় স্বাভাৱিক বৰষুণ হ'ব বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে শেহতীয়াকৈ জাৰি কৰা দীৰ্ঘকালীন পূৰ্বনুমান অনুযায়ী জুনৰ পৰা ছেপ্তেম্বৰলৈ দক্ষিণ-পশ্চিম মৌচুমি বতাহৰ সময়ছোৱাত বৰষুণৰ পৰিমাণ স্বাভাৱিক হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে ৰাজ্যত এইবাৰ মৌচুমি বতাহৰ আগমনৰ সময়ছোৱাত বৰষুণ স্বাভাৱিকতকৈ ১১ শতাংশ অধিক হৈছে। এই সময়ছোৱাত সাধাৰণতে ৪৯৪ মিলিমিটাৰ বৰষুণ হয় যদিও এইবাৰ পহিলা মাৰ্চৰ পৰা ৫৪৭ দশমিক ৩ মিলিমিটাৰ বৰষুণ হৈছে।

oooooo

ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ৰ চৌহদত অবৈধভাৱে গঢ়ি উঠা দোকানসমূহ কালি ডিব্ৰুগড় পৌৰ নিগমে উচ্ছেদ কৰে। ফুটপথৰ দোকান পোহাৰসমূহ উচ্ছেদ কৰি পথচাৰী আৰু যান-বাহনৰ চলাচল সুচল কৰাৰ বাবে এই অভিযান চলোৱা হয়।

০০০০০০

উত্তৰ পূৰ্বাঞ্চলৰ বাণিজ্য শিক্ষাৰ অন্যতম আগশাৰীৰ শিক্ষানুষ্ঠান ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালয়ত ২৬ আৰু ২৭ জুনত এখন দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰ অনুষ্ঠিত হ্ব। মহাবিদ্যালয়খনৰ অভ্যন্তৰীণ মান নিশ্চয়তা কোষ আৰু ইংৰাজী  বিভাগৰ উদ্যোগত তথা জ্যোতি ললিতা কানৈ ফাউণ্ডেছনৰ সহযোগত এই আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। আলোচনাচক্ৰখনত আমেৰিকা  যুক্তৰাষ্ট্ৰৰ ব্ৰিষ্টল বিশ্ববিদ্যালয়ৰ ইংৰাজী বভিাগৰ জ্যেষ্ঠ প্ৰৱক্তা ড০ তাৰা পুৰীয়ে অনলাইনযোগে মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰিব। সমল  ব্যক্তি হিচাপে হাৰিয়ানাৰ আৰ কে এছ্ দি পি জি কলেজৰ অৰ্থনৈতিক বিভাগৰ সহকাৰী অধ্যাপক ড০ সুৰুজ ৱালিয়া আৰু ৰাজনীতি বিজ্ঞান  বিভাগৰ অধ্যাপক সুৰেন্দ্ৰ সিং উপস্থিত থাকিব।  আয়োজক পক্ষই দেশ বিদেশৰ বিভিন্ন প্ৰান্তৰ গৱেষক, শিক্ষাব্ৰতী ছাত্ৰ-ছাত্ৰী, পলিচী নিৰ্মাতা, মিডিয়া বিশেষজ্ঞ আৰু দাৰ্শনিক সকলৰ পৰা গৱেষণা পত্ৰৰ আহ্বান কৰিছে। গৱেষণা পত্ৰৰ সাৰাংশ অহা ১০ জুন পৰ্যন্ত জমা দিব পাৰিব।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদত হ'বলগীয়া ফাইনেলত গুজৰাট টাইটানছ যোৱাবাৰৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। গুজৰাট টাইটানছে দ্বিতীয়খন কোৱালিফায়াৰত  ৰাজস্থান ৰয়েলছক ৭ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৱে প্ৰথমখন কোৱালিফায়াৰত গুজৰাট টাইটানছক ৯২ ৰাণত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০০

**সমাপ্ত**